| | | | |
|---|---|---|---|
| 1. | Name of the Programme | : | **Memorial Day Celebration of Nabakanta Baruah.** |
| 2. | Date | : | **14/07/2022** |
| 3. | In connection with observation of ……………… Day (If any) | : | |
| 4. | Organized by | : | Organized by the Dhubri Zila Sahitya Sabha and in collaboration with Department of Assamese and, Language-literature Club, Bholanath College, Dhubri |
| 5. | Name of Resource person/judges | : | 1. Dr. Jayanta Biswa Sarma, Renowned Doctor.<br>2. Dr. Upendrajit Sarma, Head of the Department of Assamese, B.N. College, Dhubri.<br>3. Tarani Kanta Rai, President, Dhubri Zila Sahitya Sabha. |
| 6. | Number of participants/students | : | 55 |
| 7. | Name, Class, Roll no of the winners | : | N/A |

8. A brief write up of the programmme (with web snaps/phots):

Memorial Day was celebrated on 14th July 2022 of Nabakanta Baruah, a renowned poet, former president of Asam sahitya sabha. On this occasion, a special lecture programme has been organized by the Dhubri Zila Sahitya Sabha and in collaboration with Department of Assamese and, Language-literature Club of Dhubri Bholanath College. The programme was conducted by Dr. Upendrajit Sarma, Magazine Editor, Asam Sahitya Sabha and Head of Assamese Department, Dhubri Bholanath College. Artist Malvika Dihidar performed in Bargeet at the beginning of the programme.

The programme was inaugurated by Dr. Dhruba Chakraborty, Principal of Dhubri Bholanath College. The programme was presided by Tarani Kanta Rai, President of Dhubri Zila Sahitya Sabha. Dr. Jayanta Biswa Sarma, delivered a special lecture on "Matri Bhasha Shikhan aru Ashomiya Bhashar Bikashat Prabashi Ashomiyar Bhumika". The meeting concluded with a national anthem performance.




# ধুবুৰীত কবি নৱকান্ত বৰুৱাৰ স্মৃতি দিৱসৰ বিশেষ বক্তৃতানুষ্ঠান

**প্ৰতিদিন বিশেষ সেৱা, ধুবুৰী, ১৪ জুলাই :** কবি, গৱেষক পণ্ডিত, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নৱকান্ত বৰুৱাৰ স্মৃতি দিৱস উপলক্ষে ধুবুৰী জিলা সাহিত্য সভাৰ উদ্যোগত আৰু ধুবুৰীৰ ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ভাষা-সাহিত্য চ'ৰাৰ সহযোগত আজি এটি বিশেষ বক্তৃঅনুষ্ঠান অনুষ্ঠিত হয়। অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক তথা ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড' উপেন্দ্ৰজিৎ শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত অনুষ্ঠানটোৰ উদ্বোধন কৰে ভোলানাথ মহাবিদ্যালয়ৰ অধ্যক্ষ ড' ধ্ৰুৱ চক্ৰৱৰ্তীয়ে। অনুষ্ঠানত গুগল মীটৰ দ্বাৰা সংযুক্ত হৈ 'মাতৃভাষা শিক্ষণ আৰু অসমীয়া ভাষাৰ বিকাশত প্ৰবাসী অসমীয়াৰ ভূমিকা' শীৰ্ষক বিশেষ বক্তৃতা প্ৰদান কৰে অসমৰ সু-সন্তান ইংলেণ্ডৰ প্ৰসিদ্ধ চিকিৎসক ডাঃ জয়ন্তবিশ্ব শৰ্মাই। তেওঁ কয়— 'মাতৃভাষাৰ শিক্ষা অবিহনে আমাৰ প্ৰকৃত জ্ঞান অৰ্জন সম্ভৱ নহয়। মাতৃভাষাৰ শুদ্ধ জ্ঞানেৰে আমাৰ জীৱনক পৰিপূৰ্ণতা দান কৰিব পাৰে।' আদৰণী ভাষণ প্ৰদান কৰে অসম সাহিত্য সভাৰ মাতৃভাষা, ৰাজ্য ভাষাৰ আঞ্চলিক আহ্বায়ক দীপক সৰকাৰে। আবেলি ৬ বজাৰ পৰা গুগল মীটৰ জৰিয়তে অনুষ্ঠিত হোৱা উক্ত অনুষ্ঠানৰ আৰম্ভণিতে বৰগীত পৰিবেশন কৰে শিল্পী মালবিকা ডিহিদাৰে। অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে সভাৰ জিলা সম্পাদক আজাদ আলী আহমেদে। অনুষ্ঠানত সভাপতিত্ব কৰে জিলা সাহিত্য সভাৰ সভাপতি তৰণী কান্ত ৰায়ে। কামৰূপী লোকগীত পৰিবেশন কৰে শিল্পী তথা কবি প্ৰণীত্ৰ হালৈয়ে। কবি নৱকান্ত বৰুৱাৰ ৰচিত কবিতা আবৃত্তি কৰে ভোলানাথ মহাবিদ্যালয়ৰ ছাত্ৰ আব্দুল হানিফ খান, মাজুলীৰ কবি শংকুসিদ্ধ নাথ আৰু অন্যান্য ছাত্ৰ-ছাত্ৰীয়ে। অনুষ্ঠানত ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড' অলকা শৰ্মা, ড' কৰুণা কান্ত দাস, ড' পলী বেজবৰুৱা, ড' শান্তনু শৰ্মা, ছয়িফুল হাছন প্ৰমুখ্যে অধ্যাপক-অধ্যাপিকা সমন্বিতে ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। অসম সংগীতেৰে অনুষ্ঠানৰ সামৰণি পৰে।




